**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-06-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::::**

## HEADLINES

১। পশ্চিমবংগত সংঘটিত ৰে'ল দুৰ্ঘটনাত মৃতকৰ সংখ্যা ৯ লৈ বৃদ্ধি। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ দুৰ্ঘটনাস্থলী পৰিদৰ্শন। দুৰ্ঘটনাত হতাহতলৈ প্ৰধানমন্ত্ৰী, ভাৰতীয় ৰে'লৱেৰ এককালীন সাহায্য ঘোষণা।

২। ৰে'ল দুৰ্ঘটনাত অসমৰ কোনো লোক হতাহত হোৱাৰ তথ্য লাভ কৰা নাই বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। কেইবাদিনো ধৰি হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত ৰাজ্যৰ কেইবাখনো জিলাত পুনৰ বান পৰিস্থিতিৰ আশংকা। প্ৰশাসনৰ সতৰ্কতা জাৰি।

৪। দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো ইছলামধৰ্মী লোকসকলৰ ঈদ-উজ-জোহা উদযাপন।

*আৰু*

৫। আই চি চি টী-২০ বিশ্বকাপৰ এখন খেলত আজি নিউজিলেণ্ড পাপুৱা নিউগিনিৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

পশ্চিমবংগৰ ৰঙাপানী ষ্টেচনত আজি পুৱা সংঘটিত ৰে'ল দুৰ্ঘটনাত দুগৰাকী ৰে'ল কৰ্মচাৰীসহ ৯ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৪১ জন লোক আহত হয়। নিউ জলপাইগুৰিৰ ৰে'ল ষ্টেচনৰ সমীপত শিয়ালদহলৈ গৈ থকা কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু এখন মালবাহী ৰে'লৰ মাজত হোৱা সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা অনুসৰি মালবাহী ৰে'লখন ছিগনেল পোৱাৰ আগেয়ে ৰাওনা হয় আৰু কাঞ্চনজংঘা এক্সপ্ৰেছৰ পাছফালে খুন্দা মাৰে। দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ দলে যাত্ৰীসকলক উদ্ধাৰ কৰে। যাত্ৰীসকলক খাদ্য আৰু পানী যোগান ধৰি থকা হৈছে। দুৰ্ঘটনাটোত ৰে'লখনৰ ক্ষতিগ্ৰস্ত নোহোৱা ডবাসমূহ মালদালৈ ৰাওনা হৈছে। জলপাই অভিমুখী ৰে'লপথো মুকলি কৰা হৈছে বুলি ৰে'লৱেৰ সূত্ৰই প্ৰকাশ কৰিছে। ইপিনে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে দুৰ্ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লয়। দুৰ্ঘটনা সম্পৰ্কীয় তথ্যৰ বাবে ৰে'ল বিভাগে বিভিন্ন স্থানত হেল্প ডেস্ক স্থাপন কৰিছে। শিয়ালদহ ষ্টেচনৰ বাবে হেল্পলাইন নম্বৰ হৈছে - ০৩৩-২৩৫০৪৭৯৪, ০৩৩-২৩৪৩৩৩২৬। আলোৱাবাৰী ৰোড জৰুৰীকালীন নম্বৰ - ৮১৭০০-৩৪২৩৫, কিষাণগঞ্জৰ ৭৫৪২০-২৮০২০, ডালখোলাৰ ৮১৭০০-৩৪২২৮, বাৰছ'ইৰ - ৭৫৪১৮-০৬৩৫৮, ছামছিৰ জৰুৰীকালীন নম্বৰ হৈছে - ০৩৫১৩-২৬৫৬৯০।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগত সংঘটিত ৰে'ল দুৰ্ঘটনাটোত গভীৰ শোক প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত প্ৰিয়জনক হেৰুওৱা প্ৰতিটো পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু-আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰীয়ে পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে বিষয়াসকলৰ সৈতে বাৰ্তালাপ কৰে। শ্ৰী মোদীয়ে

প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা প্ৰতিগৰাকী নিহতৰ নিকটাত্মীয়লৈ ২ লাখ টকা আৰু আহতসকললৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্যৰ বিষয়েও ঘোষণা কৰিছে।

আনহাতে ভাৰতীয় ৰে'লৰে দুৰ্ঘটনাত নিহতৰ নিকতাত্মীয়লৈ ১০ লাখ, গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত সকললৈ আঢ়ৈ লাখ আৰু সামান্যভাৱে আহত লোকসকলক ৫০ হাজাৰ টকাৰ সাহাৰ্য প্ৰদান কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰে।

ৰে'ল দুৰ্ঘটনাটোৰ পৰিপ্ৰেক্ষিতত কাটিহাৰ-নিউজলপাইগুৰি খণ্ডৰ ৰে'ল যাতায়াত প্ৰভাৱিত হৈছে। ডিব্ৰুগড়-নতুন দিল্লী ৰাজধানী এক্সপ্ৰেছ, হাওৰা-নিউ জলপাইগুৰি বন্দে ভাৰত এক্সপ্ৰেছকে ধৰি ২৪খন ৰে'লৰ যাত্ৰাপথ সলনি কৰি নিউ জলপাইগুৰি, শিলিগুড়ি, বাগডোগ্ৰা, আলুৱাবাৰী ৰে'ল শাখাৰ পথেৰে যাতায়াতৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

পশ্চিমবংগৰ নিউ জলপাইগুৰিত সংঘটিত ৰে'ল দুৰ্ঘটনাত অসমৰ কোনো লোক হতাহতৰ তথ্য এই পৰ্যন্ত লাভ কৰা নাই বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ত্ৰিপুৰাৰ পৰা অসমৰ মাজেৰে যোৱাৰ বাবে ৰে'লখনত অসমৰ যাত্ৰী থাকিব পাৰে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। তেওঁ কৈছে যে এই দুৰ্ঘটনা সন্দৰ্ভত কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে কথা পতাৰ লগতে ৰাজ্যৰ মুখ্যসচিবগৰাকীয়ে ৰে'ল বিভাগৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। ৰাজ্যৰ কোনো লোক দুৰ্ঘটনাটোত আহত হ'লে শীঘ্ৰে চিকিৎসাৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশ্বাস দিছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত পুনৰ বানৰ আশংকাই দেখা দিছে। কালিৰেপৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পুনৰ ভালেমান অঞ্চল বাঢ়নি পানীয়ে বুৰাই পেলাইছে। নগাঁও জিলাৰ কামপুৰত কপিলী নৈৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। বৰষুণ অব্যাহত থাকিলে কামপুৰ এলেকা পুনৰ বানৰ কৱলত পৰাৰ আশংকাই দেখা দিছে। নগাঁও জিলা প্ৰশাসনে অঞ্চলটোৰ নৈপৰীয়া ৰাইজক সজাগ হৈ থাকিবলৈ সতৰ্কতা জাৰি কৰিছে। ইপিনে, কপিলী নৈৰ বানে হোজাই জিলাৰ কেইবাখনো গাঁও বুৰাই পেলাইছে। জিলাখনৰ থেপ্লাগুৰি, যাঠিহুৰা, হাতীমৰা, নভঙাকে ধৰি কেইবাখনো গাঁও বানে বুৰাই পেলাইছে। মঙলদৈৰ বাঁহজানীত নোৱা নৈৰ পূব দিশৰ মথাউৰি ছিগি যোৱাৰ ফলত কমেও ১০ খন গাঁও প্লাৱিত হৈছে। পূব বাঁহজানী, পশ্চিম বাঁহজানী, দলৈচুবা, কমাৰপাৰাকে ধৰি গাঁওখনৰ খেতিপথাৰ বানত বুৰ যোৱাৰ লগতে বাসগৃহত পানী সোমোৱাৰ ফলত জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে। ইপিনে, গুৱাহাটী আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২০ জুনলৈ ৰাজ্যখনত বিজুলী-ঢেৰেকণিৰে ধাৰাসাৰ বৰষুণৰ আশংকা কৰি ৰেড এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা অনুসৰি চিৰাং, বাক্সা, বৰপেটা, বঙাইগাঁও আৰু তামুলপুৰত মজলীয়াৰ পৰা ধাৰাসাৰ বৰষুণ হোৱাৰ আশংকা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই লগতে দক্ষিণ শালমাৰা, গোৱালপাৰা, বজালী, নলবাৰী আৰু কাৰ্বি আংলং জিলাতো ধাৰাসাৰ বৰষুণ হ'ব বুলি আগলি বতৰা দিছে। বিশেষকৈ পশ্চিম কাৰ্বি আংলং, শিৱসাগৰ, চৰাইদেউ আৰু তিনিচুকীয়াত বৰষুণৰ ফলত বান পৰিস্থিতিৰ আশংকা প্ৰকাশ কৰা হৈছে।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি অব্যাহত আছে। বিভিন্ন জিলা প্ৰশাসনে যোগ দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। এইবাৰৰ যোগ দিৱসৰ

বিষয় হৈছে- নিজৰ লগতে সমাজৰ বাবে যোগ। ব্যক্তিৰ, শাৰীৰিক, মানসিক সুস্থতা আৰু আধ্যাত্মিক বিকাশৰ লক্ষ্যৰে উদযাপন কৰা যোগ দিৱসৰ সৈতে সংগতি ৰাখি যোগ অনুশীলনৰ শিৱিৰ মুকলি কৰাৰ লগতে বিভিন্ন স্থানত যোগৰ প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। পৰিৱৰ্তিত জীৱনশৈলী, মানসিক চাপ দূৰীকৰণ আৰু শৰীৰটো সুস্থ কৰি ৰখাৰ ক্ষেত্ৰত যোগৰ ভূমিকা অপৰিসীম। যোগাভ্যাসৰ গুৰুত্ব সন্দৰ্ভত যোগ বিশেষজ্ঞ ডাঃ ধীৰেণ ডেকাই এইদৰে কয়-

-ভইচ-

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত মণিপুৰৰ নিৰাপত্তা পৰিস্থিতি পৰ্যালোচনাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰিছে। এই বৈঠকত কেন্দ্ৰীয় গৃহ সচিব অজয় ভাল্লা, চোৰাংচোৰা সংস্থাৰ মুৰব্বী তপন ডেকা, সেনাবাহিনীৰ মুৰব্বী মনোজ পাণ্ডে, সেনা বাহিনীৰ তদৰ্থ মুৰব্বী উপেন্দ্ৰ দ্বিবেদী আৰু মণিপুৰৰ আৰক্ষী সঞ্চালকপ্ৰধান ৰাজীৱ সিঙৰ উপৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়া, সেনা বাহিনী আৰু আন আন নিৰাপত্তা সংস্থাসমূহৰ বিষয়াসকলে এই বৈঠকত অংশগ্ৰহণ কৰিছে।

০০০০০০

অনাগত পঞ্চায়ত নিৰ্বাচন ই ভি এমৰ সলনি বেলট পেপাৰত অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ৪ বা ৫ খন জিলাত পাইলট পৰ্যায়ত ই ভি এম ব্যৱহাৰ কৰা হ'ব বুলি তেওঁ কয়। এইবাৰৰ পঞ্চায়ত নিৰ্বাচন সম্পূৰ্ণ অৰাজনৈতিক হ'ব বুলিও তেওঁ উল্লেখ কৰে। আঞ্চলিক জিলা পৰিষদৰ নিৰ্বাচন প্ৰতীক চিহ্নত অনুষ্ঠিত হোৱাৰ বিপৰীতে পঞ্চায়তৰ সভাপতি আৰু সদস্য প্ৰতীক অবিহনে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। ইয়াৰ লগতে তেওঁ পুৰণি সমষ্টিৰ ভিত্তিত ৰাজ্যত উপ-নিৰ্বাচন অনুষ্ঠিত নহ'ব পাৰে বুলি মতপ্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নিৰ্মাণ হৈ থকা মহিলা আৰু শিশুৰ হাস্পতাল পৰিদৰ্শন কৰি এই সন্দৰ্ভত তথ্য প্ৰকাশ কৰে। ৩৭৫ কোটি টকা ব্যয় সাপেক্ষে এই ৮ মহলীয়া চিকিৎসালয়খন নিৰ্মাণ কৰা হৈছে। কেৱল শিশু আৰু মাতৃৰ চিকিৎসাৰ বাবে নিৰ্মাণ কৰা হাস্পতালখনত এহেজাৰখন বিছনা থাকিব। ২০২১ চনৰ পৰা ৰাজ্যত ৰূপায়ণ হৈ থকা প্ৰকল্পৰ কামসমূহ ২০২৫ চনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। আনহাতে বৰ্তমান অসমত ৩৫ হাজাৰ কোটি টকাৰ কাম চলি আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো ইছলামধৰ্মী লোকসকলে আজি ধৰ্মীয় ৰীতি-নীতিৰে ঈদ-উজ-জোহা উদযাপন কৰিছে। ঈদ উপলক্ষে মছজিদ আৰু ঈদগাহসমূহ সজাই-পৰাই তোলা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশবাসীক ঈদৰ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ঈদ-উজ-জোহাক ত্যাগৰ প্ৰতীক হিচাপে বৰ্ণনা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, এই উৎসৱে প্ৰেম, ভাতৃত্ববোধ আৰু সামাজিক সম্প্ৰীতিৰ বাৰ্তা বহন কৰে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই উৎসৱত ৰাইজক একতা, দয়া আৰু সংহতিৰ মূল্যবোধ সন্দৰ্ভত চিন্তা কৰিবলৈ আহ্বান জনায়। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়ায়েও ঈদ-উজ-জোহা উপলক্ষে ইছলামধৰ্মী লোকসকলক শুভেচ্ছা জ্ঞাপন কৰি ত্যাগৰ এই উৎসৱে জনসাধাৰণৰ মাজত পাৰস্পৰিক সহানুভূতি, সদিচ্ছা আৰু কৃতজ্ঞতাৰ মনোভাৱ শক্তিশালী কৰি তুলিব বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো ঈদ উপলক্ষে ইছলামধৰ্মী লোকসকলক শুভেচ্ছা জনাইছে।

ৰাজ্যৰ আন আন ঠাইৰ লগতে গুৱাহাটীতো ঈদৰ উছাহ পৰিলক্ষিত হৈছে। জালুকবাৰী, মাছখোৱা, আমবাৰী, হাতীগাঁও আদিকে ধৰি কেইবাটাও স্থানত ঈদৰ নামাজ সম্পন্ন হয়। প্ৰতিকূল বতৰৰ বাবে ঈদৰ নামাজ পঢ়াত পলম হোৱাৰ লগতে ঈদগাহৰ পৰিৱৰ্তে মছজিদসমূহত নামাজ অনুষ্ঠিত কৰা হৈছে।

বৰপেটা জিলাৰ ভিন্ন প্ৰান্ততো ঈদ-উজ-জোহা উদযাপন কৰা হৈছে। বৰষুণৰ বাবে জিলাখনৰ ঈদগাহ ময়দানবোৰত সীমিত সংখ্যক লোকৰ উপস্থিতিত সমূহীয়া নামাজ অনুষ্ঠিত হয়।

ঈদ উপলক্ষে শিৱসাগৰৰ বিভিন্ন প্ৰান্তত ইছলাম ধৰ্মী লোকসকলে সমূহীয়া নামাজত অংশ লৈ শান্তি-সম্প্ৰীতি কামনা কৰে। শিৱসাগৰৰ দৰবাৰ ফিল্ড ঈদগাহ ময়দান, ৰংঘ চাৰিআলি ঈদগাহ ময়দানৰ লগতে জেঙনিকতীয়া চাৰিআলি, ষ্টেচন চাৰিআলিকে ধৰি বিভিন্ন মছজিদসমূহত নামাজ অনুষ্ঠিত হয়। কৰিমগঞ্জ, গোৱালপাৰা, ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, নলবাৰী তো ঈদৰ উছাহ পৰিলক্ষিত হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ পি এম কিষাণ আঁচনিৰ সোঁতৰ সংখ্যক কিস্তিৰ ধন দেশৰ প্ৰায় ১০ কোটি কৃষকক আনুষ্ঠানিকভাৱে প্ৰদান কৰিব। সেই উপলক্ষে উত্তৰ প্ৰদেশৰ বৰানসীত পি এম কিষাণ সন্মিলন অনুষ্ঠিত হ'ব। সন্মিলনখনৰ সৈতে সংগতি ৰাখি লাইভ ৱেবকাষ্টৰ জড়িয়তে দেশৰ কেইবাটাও নিৰ্বাচিত স্থানৰ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দেশৰ আন আন প্ৰান্তৰ লগতে যোৰহাট জিলাৰ টীয়কৰ কলীয়াপানীৰ জিলা কৃষি বিজ্ঞান কেন্দ্ৰতো পি এম কিষাণ সন্মিলনৰ লাইভ ৱেবকাষ্টৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰ্যালয় আৰু সহযোগিতা মন্ত্ৰ্যালয়ৰ ৰাজ্যিক মন্ত্ৰী মুৰুলীধৰ মোহলে অংশগ্ৰহণ কৰিব।

০০০০০০

বান ক্ষতিগ্ৰস্ত ছিকিমৰ মংগন জিলাৰ ছুংথাঙত আবদ্ধ হৈ থকা পৰ্যটকসকলক আজি পুৱাৰেপৰা নিৰাপদে উদ্ধাৰ কৰাৰ কাম অব্যাহত আছে। জিলাখনৰ উপায়ুক্তই প্ৰকাশ কৰা অনুসৰি পৰ্যটকসকলক ক্ষতিগ্ৰস্ত অঞ্চলৰ পৰা ৰাজ্যৰ ৰাজধানী গেংটকলৈ পথেৰে লৈ যোৱাৰ কাম অব্যাহত আছে। প্ৰতিকূল বতৰৰ বাবে তেওঁলোকক বিমানেৰে স্থানান্তৰ কৰিব পৰা হোৱা নাই। উল্লেখযোগ্য  যে ৰাজ্যখনৰ পৰ্যটন আৰু অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ছেৰিং থেণ্ডুপ  ভূটিয়াৰ তত্বাৱধানত ছুংথাঙত আৱদ্ধ হৈ থকা ১৫ গৰাকী বিদেশী পৰ্যটককে ধৰি কমেও দুহেজাৰ গৰাকী পৰ্যটকক বিমান আৰু পথেৰে স্থানান্তৰ কৰাৰ প্ৰচেষ্টা দুদিন ধৰি অব্যাহত আছে। আজি সন্ধিয়াৰ ভিতৰত আৰু ৫০ গৰাকী পৰ্যটকক উলিয়াই আনিব পৰা হ'ব বুলি আশা কৰা হৈছে। বতৰ অনুকূল হৈ উঠিলে কাইলৈ  হেলিকপ্তাৰযোগে পৰ্যটকসকলক স্থানান্তৰৰ বাবে ব্যৱস্থা ৰখা হৈছে। ইপিনে, অধিক ক্ষতিগ্ৰস্ত মংগন জিলাত উদ্ধাৰ অভিযানৰ লগতে সাহায্য আৰু পুনৰ সংস্থাপন অভিযান চলি আছে। ৰাজ্যখনত ধাৰাসাৰ বৰষুণ আৰু ভূমিস্খলনত ৯ জন লোকৰ প্ৰাণ হানি হৈছে। তদুপৰি বৰষুণৰ ফলত বিভিন্ন স্থানত পথ যোগাযোগ ব্যাহত হৈছে। ক্ষতিগ্ৰস্ত অঞ্চলসমূহত শীঘ্ৰেই পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ বাবে সীমান্ত পথ সংস্থাই প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ক'হৰাত প্ৰস্তাৱিত প্ৰথমখন চৰকাৰী অৰ্কিড উদ্যানৰ নিৰ্মাণ কাৰ্য পুনৰ আৰম্ভ হৈছে। কৃষিমন্ত্ৰী অতুল বৰাই প্ৰকাশ কৰা মতে প্ৰায় ২০ বিঘা মাটিত নিৰ্মাণ কৰা এই উদ্যানখনত অসমৰ বনাঞ্চলসমূহত থকা অৰ্কিড সংৰক্ষণৰ ব্যৱস্থা   গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে, ২০২০ চনৰ ১৬ জুলাইত তদানিন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আনুষ্ঠানিকভাৱে উদ্যানখনৰ  আধাৰশিলা স্থাপন কৰিছিল।

কৃষি আৰু উদ্যান শস্য বিভাগৰ উদ্যোগ নিৰ্মাণ হ'বলগীয়া এই উদ্যানখনৰ বাবে প্ৰায় ১৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। প্ৰাৰম্ভিক অৱস্থাত নিৰ্বাণকাৰী প্ৰতিষ্ঠানৰ বিসংগতিপূৰ্ণ কামৰ বাবে উদ্যানখনৰ নিৰ্মাণকাৰ্য বন্ধ কৰি দিয়া হৈছে। চলিত বৰ্ষত আন এটা প্ৰতিষ্ঠানক এই উদ্যানখনৰ নিৰ্মাণৰ দায়িত্ব প্ৰদান কৰা হৈছে।

০০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত অহা ২০ জুনত দৰং মহাবিদ্যালয় প্ৰেক্ষাগৃহত কেন্দ্ৰীয়ভাৱে চলিত বছৰৰ বিষ্ণুৰাভা দিৱস উদযাপন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত অংশ লৈ বিশিষ্ট লোকশিল্পী ধৰ্মেশ্বৰ নাথ আৰু চিত্ৰশিল্পী দুৰ্লভ ভট্টাচাৰ্যক ২০২৪ বৰ্ষৰ বিষ্ণুৰাভা বঁটাৰে সন্মানিত কৰিব। তদুপৰি অসমৰ কলা-সংস্কৃতি, সমাজ আৰু সাহিত্য জগতলৈ অমূল্য অৱদান আগবঢ়াই অহা ৯ গৰাকী স্বনামধন্য ব্যক্তিক এটা ৰাষ্ট্ৰীয় আৰু ৮ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰে সন্মানিত কৰা হ'ব। ২০২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আজানপীৰ বঁটা প্ৰবীণ চলচ্চিত্ৰ নিৰ্মাতা আনোৱাৰ হুছেইনক প্ৰদান কৰা হ'ব। আনহাতে, ৮ টা ৰাজ্যিক পৰ্যায়ৰ বঁটা ক্ৰমে চলিত বছৰৰ গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱা বঁটা, সংগীত শিল্পী স্বাশ্বতী ভট্টাচাৰ্যক, অমল প্ৰভা দাস বঁটা শিক্ষয়িত্ৰী তথা শিল্পী বন্দনা দত্তক চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা, বিশিষ্ট সমাজসেৱিকা ড° সুনীতা চাংকাকতিক আৰু মামণি ৰয়চম গোস্বামী বঁটা বিশিষ্ট সাহিত্যিক ড° কৰবী ডেকা হাজৰিকাক প্ৰদান কৰা হ'ব। একেদৰে চলিত বছৰৰ চৈয়দ আব্দুল মালিক বঁটা সাহিত্যিক জয়ন্ত মাধৱ বৰাক, আহমদ আলী বাঁশকান্দী বঁটা তৰেন চন্দ্ৰ বড়োক, গণেশ গগৈ বঁটা বিশিষ্ট কবি আনিজ উজ জামানক আৰু বীৰ ৰাঘৱ মৰাণ বঁটা সাহিত্যিক, সমাজসেৱী জীৱেশ্বৰ মহনক প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি সেইদিনা দিনৰ ১০ বজাৰ পৰা বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কবিতাৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০০

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১২২ সংখ্যক ওপজা দিন উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়। প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতীৰ নিৰ্মাতা, গীত-নাট-কবিতাকে ধৰি সাহিত্যৰ মেটমৰা সম্ভাৰেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি যোৱা সুন্দৰৰ পূজাৰীগৰাকীৰ ১৯০৩ চনত ডিব্ৰুগড়ত তামোলবাৰী চাহ বাগিচাত জন্ম হৈছিল। জন্মদিন উপলক্ষে আজি জয়মতী নিৰ্মাণস্থলী গহপুৰৰ ভোলাগুৰিত ৰূপকোঁৱৰক স্মৰণ কৰি গুণমুগ্ধসকলে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে ৰূপকোঁৱৰৰ আৱক্ষ মূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। তেজপুৰতো আজি সুন্দৰৰ পূজাৰীগৰাকীৰ স্মৃতিত গীত-মাত আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। ধুবুৰী জিলাতো আজি শিল্পীজনাক শ্ৰদ্ধাঞ্জলি জনাবলৈ অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলাখনৰ গৌৰীপুৰ, বিলাসীপাৰা আদি অঞ্চলত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে ধুবুৰীৰ অসম সাহিত্য সভা ভৱনত দিনজোৰা কাৰ্যসূচীৰে ৰূপকোঁৱৰ দিৱস পালন কৰা হয়।

০০০০০০

প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ দেশৰ পূৰ্বোত্তৰ খণ্ডৰ মুখ্য প্ৰশাসিকা ৰাজ যোগিনী ব্ৰহ্মকুমাৰী শীলা দিদিৰ আজি পুৱা আহমেদাবাদৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। তেওঁ দেশৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে বাংলাদেশকো সামৰি কমেও দুশটা ব্ৰহ্মকুমাৰী সেৱা কেন্দ্ৰৰ লগত জড়িত হৈ থকাৰ উপৰি সঞ্চালনাৰ দায়িত্বও নিৰ্বাহ কৰিছিল।

০০০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গ্ৰুপ 'চি'ৰ এখন খেলত নিউজিলেণ্ডে পাপুৱা নিউগিনিয়াৰ বিৰুদ্ধে খেলিব। খেলখন ৱেষ্ট ইণ্ডিজৰ ট্ৰা'উবাৰ ব্ৰায়ান লাৰা ষ্টেডিয়ামত নিশা ৮ বজাত অনুষ্ঠিত হ'ব।

ইপিনে, গ্ৰুপ 'ডি'ৰ এখন খেলত বাংলাদেশে  নেপালক ২১ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি বাংলাদেশে নেপালক জয়ৰ বাবে ১০৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে যদিও নেপালে ১৯ অ'ভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৮৫ ৰানহে সংগ্ৰহ কৰে। এই জয়ৰ লগে লগে বাংলাদেশে ছুপাৰ এইট পৰ্যায়ত স্থান নিশ্চিত কৰে।

আনহাতে, ছেইণ্ট লুছিয়াৰ ডাৰেনছেমি নেচনেল ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ডিৰ দ্বিতীয়খন খেলত শ্ৰীলংকাই নেডাৰলেণ্ডছক ৮৩ ৰানত পৰাস্ত কৰে। খেলখনত টছত জয়ী হৈ শ্ৰীলংকাক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। ২০১ ৰাণৰ বিজয় লক্ষ্যৰে খেলি নেডাৰলেণ্ডছে ১৬ অভাৰ ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়। শ্ৰীলংকাৰ হৈ চৰিত আছালাংকাই ২১ টা বলত ৪৬, ওচল মেন্দিছে ২৯ টা বলত ৪৬ ৰান কৰে। চৰিত আছালাংকাক মেন অব্ দা মেচ হিচাপে ঘোষণা কৰা হয়।

উল্লেখযোগ্য যে ইতিমধ্যে পাকিস্তান আৰু আয়াৰলেণ্ড প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। আনহাতে  ভাৰত আৰু আমেৰিকাই গ্ৰুপ এৰ পৰা ছুপাৰ এইটত উপনীত হৈছে।

০০০০০০

ঃসমাপ্তঃ